**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date : 28-10-2025** **Time :** 1205 Hrs

***Assamese Midday Bulletin***

----------------------------

০০০০০০

দেশৰ ১২ খন ৰাজ্য আৰু কেন্দ্ৰীয়শাসিত অঞ্চলত আজি দ্বিতীয় পৰ্যায়ৰ ভোটাৰ তালিকাৰ বিশেষ ব্যাপক সংশোধনী প্ৰক্ৰিয়া আৰম্ভ হৈছে। অহা বছৰৰ ৭ ফেব্ৰুৱাৰীত চূড়ান্ত ভোটাৰ তালিকা প্ৰকাশ কৰা হ'ব। অৱশ্যে এই ৰাজ্যসমূহৰ ভিতৰত অসমক অন্তৰ্ভুক্ত কৰা হোৱা নাই। মুখ্য নিৰ্বাচন আয়ুক্ত জ্ঞানেশ কুমাৰে কালি নতুন দিল্লীত সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত কয়, যে এই পৰ্যায়ত উত্তৰ প্ৰদেশ, গুজৰাট, মধ্যপ্ৰদেশ, চত্তিশগড়, ৰাজস্থান, তামিলনাডু, পশ্চিমবংগ, গোৱা, কেৰালা, পুডুচেৰী, আন্দামান আৰু নিকোবৰ দ্বীপপুঞ্জ তথা লাক্ষাদ্বীপত এই প্ৰক্ৰিয়া ৰূপায়ণ কৰা হ'ব। আজিৰে পৰা অহা ৩ নৱেম্বৰলৈ ভোটাৰ গণনা প্ৰপত্ৰ ছপা কৰাৰ লগতে বুথ পৰ্যায়ৰ প্ৰশিক্ষণ অনুষ্ঠিত হৈছে। অহা ৪ ডিচেম্বৰলৈ এই গণনা প্ৰক্ৰিয়া চলি থাকিব আৰু খচৰা ভোটাৰ তালিকা ৯ ডিচেম্বৰত প্ৰকাশ পাব।

ভোটাৰ তালিকাৰ বিশেষ ব্যাপক সংশোধনীৰ দ্বিতীয় পৰ্যায়ত অসমকো সামৰি লোৱাৰ কথা আছিল যদিও অৱশেষত অসমক এই পৰ্যায়ত বাদ দিয়া হয়। মুখ্য নিৰ্বাচন আয়ুক্তগৰাকীয়ে এই সন্দৰ্ভত সাংবাদিকৰ এটা প্ৰশ্নৰ উত্তৰত কয়, যে অসমত নাগৰিকত্ব আইনৰ নিজা বিধান আছে আৰু ৰাজ্যখনত ৰাষ্ট্ৰীয় নাগৰিক পঞ্জী অৰ্থাৎ এন আৰ চিৰ কাম সম্পূৰ্ণ হোৱাৰ পথত আগবঢ়াৰ পৰিপ্ৰেক্ষিততে অসমক এইবাৰ ভোটাৰ তালিকাৰ সংশোধনীৰ পৰা বাহিৰত ৰখা হৈছে। অসমৰ বাবে পৰৱৰ্তী সময়ত সুকীয়া নিৰ্দেশ জাৰি কৰা হ'ব বুলি মুখ্য নিৰ্বাচন আয়ুক্তগৰাকীয়ে প্ৰকাশ কৰে।

০০০০০০০

কামৰূপ মহানগৰ জিলাৰ মুখ্য ন্যায়িক দণ্ডাধীশৰ আদালতে জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰত গ্ৰেপ্তাৰ হোৱা অভিযুক্ত শ্যামকানু মহন্ত, সিদ্ধাৰ্থ শৰ্মা, সন্দীপন গাৰ্গ আৰু দেহৰক্ষী নন্দেশ্বৰ বৰা তথা পৰেশ বৈশ্যক পুনৰ ১৪ দিনৰ ন্যায়িক জিম্মালৈ প্ৰেৰণ কৰিছে। ষট্ পূজা উপলক্ষে আজি আদালতৰ কাম-কাজ বন্ধ থকাৰ পৰিপ্ৰেক্ষিতত আৰক্ষীয়ে কালিয়েই পাঁচোজন অভিযুক্তক ভাৰ্চুৱেল মাধ্যমেৰে আদালতত হাজিৰ কৰোৱায়। পাছত আদালতে আটাইকেইজন অভিযুক্তকে পুনৰ ১৪ দিনৰ বাবে ন্যায়িক জিম্মালৈ প্ৰেৰণ কৰে।

০০০০০০০

দুদিনীয়া কাৰ্যসূচীৰে ৰাজ্যত পালন কৰা ষট্ পূজাৰ আজি সামৰণি পৰে। পূজা উপলক্ষে কালি ৰাজ্যখনত বাস কৰা হিন্দীভাষী উত্তৰ-ভাৰতীয় লোকসকলে বিভিন্ন প্ৰান্তৰ নৈৰ পাৰ, ঘাটসমূহত নৈবদ্য আগবঢ়াই আৰাধনা কৰে। কালি নিশাটো বিভিন্ন সাংস্কৃতিক আৰু আধ্যাত্মিক কাৰ্যসূচীৰ মাজেৰে নৈৰ ঘাটতে থাকি ভক্তসকলে আজি পুৱা উদিত সূৰ্য্যক প্ৰণাম কৰি পূজা-অৰ্চনা আগবঢ়ায়।

অসমৰ বিভিন্ন জিলাত এই পূজা অনুষ্ঠিত হয়। গোৱালপাৰা জিলাৰ ব্ৰহ্মপুত্ৰৰ কছাৰীঘাটত কালি বিয়লিৰ পৰা অগণন লোকে ফল-মূল, পিঠাপনা আদি আগবঢ়াই অস্তমিত সূৰ্য্য দেৱতাক আৰাধনা কৰি আজি পুৱা উদিত সূৰ্য্যক ভক্তসকলে আৰাধনা কৰে। কামৰূপ জিলাৰ আমিনগাওঁৰ শৰাইঘাট দলঙৰ সমীপত ব্ৰহ্মপুত্ৰৰ পাৰত আজি বহু লোক সমবেত হৈ এই পূজা সম্পন্ন কৰে। গুৱাহাটী মহানগৰীৰ পাণ্ডু ঘাট, পাণবজাৰ, উজানবজাৰ, খাৰঘুলিকে ধৰি ভিন্ন অঞ্চলত ব্ৰহ্মপুত্ৰৰ পাৰত সমবেত হৈ ভক্তসকলে অস্তমিত সূৰ্য্যলৈ নৈবদ্য আগবঢ়োৱাৰ লগতে আজি পুৱা উদিত সূৰ্যক প্ৰণাম জনায়।

শিলচৰত এই উৎসৱ উপলক্ষে বৰাক নদীৰ অন্নপূৰ্ণা ঘাট, ৰংপুৰ ঘাট, বৰম বাবা, এন আই টি শিলচৰৰ জলাশয়ৰ ভালেসংখ্যক লোক সমবেত হৈ পূজা-অৰ্চনা কৰে। হোজাই জিলাৰ লংকা লংকেশ্বৰী ষট্ ঘাটত পূজা সমিতিয়ে দুদিনীয়া কাৰ্যসূচীৰে ষট্ পূজা পালন কৰে।

পশ্চিম কাৰ্বি আংলং জিলাৰ খেৰণী, বৈঠালাংছ' আৰু হামৰেণত বাস কৰা ভোজপুৰী সম্প্ৰদায়ৰ লোকসকলৰ লগতে বঙালী সম্প্ৰদায়ৰ লোকসকলেও এই পূজাত অংশগ্ৰহণ কৰা বুলি আমাৰ সংবাদদাতাই জনাইছে। শিৱসাগৰ জিলাৰ বিভিন্ন ঠাইত এই উৎসৱৰ আয়োজন কৰা হয়।

0000000

ৰাজ্য চৰকাৰে নাৰী শিক্ষাৰ ক্ষেত্ৰত যুগান্তকাৰী পদক্ষেপ গ্ৰহণ কৰি আহিছে। চৰকাৰী চাকৰিকে ধৰি ব্যক্তিগত খণ্ড তথা আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত নিয়োগৰ সুযোগ সৃষ্টি কৰি তেওঁলোকক সফলতাৰ দিশে লৈ যোৱাৰ ক্ষেত্ৰত সহায় কৰা হৈছে। সৰুসজাইৰ অৰ্জুন ভোগেশ্বৰ বৰুৱা ক্ৰীড়া প্ৰকল্পত কালি মুখ্যমন্ত্ৰীৰ নিযুত মইনা আঁচনিৰ চেক বিতৰণ কাৰ্যসূচীত মুখ্য অতিথি হিচাপে অংশ লৈ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই এইদৰে কয়। ড° শৰ্মাই নিযুত মইনা আঁচনিয়ে ২০২৫-২৬ বৰ্ষত ৰাজ্যৰ ৩ লাখ ৫০ হাজাৰ ছাত্ৰীক উপকৃত কৰিব বুলি উল্লেখ কৰে। তেওঁ লগতে এই আঁচনিৰ দ্বিতীয় পৰ্যায়ত পঞ্চম ষাণ্মাসিকৰ ছাত্ৰী তথা পলিটেকনিক আৰু আই টি আই প্ৰতিষ্ঠানৰ ছাত্ৰীসকলকো সামৰি লোৱা হ'ব বুলি ঘোষণা কৰে।

মুখ্যমন্ত্ৰী ড° শৰ্মাই এই আঁচনিখনৰ জৰিয়তে মহাবিদ্যালয়ত ছাত্ৰীৰ নামভৰ্তিৰ সংখ্যা বৃদ্ধি হোৱাৰ লগতে বাল্যবিবাহ ৰোধ হৈছে বুলি উল্লেখ কৰে। তেওঁ বাল্যবিবাহৰ ঘটনাৰ পৰা ৰাজ্যৰ কন্যাসকলক সম্পূৰ্ণৰূপে মুক্ত কৰাৰ দৃঢ় সংকল্পৰ কথা দোহাৰে। ড° শৰ্মাই বহু বিবাহৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলিও প্ৰকাশ কৰে।

00000000

মৰিগাঁও জিলাৰ নেলীত ২৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথত আজি পুৱতি নিশা সংঘটিত এটা পথ দুৰ্ঘটনাত তিনিজন লোক থিতাতে নিহত হয়। নিহত লোককেইজন ডাঃ কণ্ঠেশ্বৰ বৰদলৈ, মানস মহন্ত, আশ্বিক হুছেইন বুলি জানিব পৰা গৈছে। উল্লেখযোগ যে জাগীৰোডৰ পৰা নগাঁও অভিমুখে গৈ থকা তেওঁলোকৰ বাহনখন পথৰ দাঁতিত নিয়ন্ত্ৰণ হেৰুৱাই ৰেলিঙত খুন্দা মাৰে আৰু বাহনখন চূৰ্ণ-বিচূৰ্ণ হৈ পৰে। দুৰ্ঘটনাত আহত আন দুজন লোকক মৰিগাঁও অসামৰিক চিকিৎসালয়ত সংকটজনক অৱস্থাত ভৰ্তি কৰোৱা হৈছে বুলি আমাৰ মৰিগাঁৱৰ সংবাদদাতাই জনাইছে।

0000000

ডিব্ৰুগড় জিলা প্ৰশাসনৰ উদ্যোগত কালি ডিব্ৰুগড়ৰ জিলা পুথিভঁৰাল প্ৰেক্ষাগৃহত ডিব্ৰুগড় জিলা প্ৰতিষ্ঠা দিৱস অনুষ্ঠিত হয়। যোৱা দুই অক্টোবৰত জিলা প্ৰতিষ্ঠা দিৱস পালন কৰা হৈছিল যদিও কালি এই দিৱস বিস্তৃত কাৰ্যসূচীৰে আয়োজন কৰা হয়। কাৰ্যসূচীৰ আৰম্ভণিতে জুবিন গাৰ্গলৈ শ্ৰদ্ধা জনোৱাৰ লগতে জিলা প্ৰশাসনৰ আটাইবোৰ বিষয়া-কৰ্মচাৰীয়ে শিল্পীগৰাকীৰ মায়াবিনী গীতটো পৰিৱেশন কৰে। বিশিষ্ট অতিথি পেইম থি গোহাঁয়ে ডিব্ৰুগড় জিলাৰ ইতিহাস সন্দৰ্ভত আলোকপাত কৰে। জিল আয়ুক্ত বিক্ৰম কৈৰীয়ে জিলাখনৰ উন্নয়নৰ ক্ষেত্ৰত বিশেষ গুৰুত্ব প্ৰদান কৰে। জিলা দিৱসৰ কাৰ্যসূচীৰ অংশ হিচাপে এখন নাট পৰিৱেশন কৰা হয়। অনুষ্ঠানত বিভিন্ন বিভাগৰ বিষয়া আৰু কৰ্মচাৰীসকল উপস্থিত থাকে।

00000000

**সমাপ্ত**